**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-02-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
**::::::::::::::::::::::::::::::**

১। এডভাণ্টেজ আছামৰ প্ৰাক মুহূৰ্তত ৰাজ্যলৈ আশাৰ বতৰা, জাপানৰ বৃহৎ প্ৰতিনিধি দলৰ জাগীৰোড চেমিকণ্ডাক্টৰ প্ৰকল্প, ডিমৰীয়াৰ বাঁহ খেতি পৰিদৰ্শন।

২। দীপৰ বিলৰ সকলো খনন আৰু নিৰ্মাণকাৰ্য বন্ধ ৰাখিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ।

৩। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশনৰ বিভিন্ন কাৰ্যসূচীৰে আজি দ্বিতীয় দিন।

৪। আজিৰে পৰা গুৱাহাটীৰ জ্যোতি চিত্ৰবনত গুৱাহাটী এছিয়ান চলচ্চিত্ৰ মহোৎসৱ।

*আৰু*

৫। অভিলেখ সৃষ্টি কৰি ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত অসমৰ ৪ গৰাকী বক্সাৰৰ ফাইনেলত প্ৰৱেশ।

oooo

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ প্ৰাক মুহূৰ্তত ৰাজ্যৰ ঔদ্যোগিক খণ্ডলৈ ইতিবাচক বাৰ্তা কঢ়িয়াই কালি জাপানৰ এটা প্ৰতিনিধি দল অসমত উপস্থিত হয়। ৫১জনীয়া দলটোৱে জাগীৰোডত নিৰ্মাণ কাৰ্য চলি থকা টাটা ছেমিকণ্ডাক্টৰ প্ৰকল্প পৰিদৰ্শন কৰাৰ লগতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে এখন বিশেষ বৈঠকতো অংশগ্ৰহণ কৰে। প্ৰতিনিধি দলটোত ভুটান আৰু ভাৰতৰ যুটীয়া ৰাষ্ট্ৰদূত কেইচি অ'ন তথা বাংলাদেশস্থিত জাপানৰ ৰাষ্ট্ৰদূত টাকাহাছি নাউকীৰ উপৰি কেইবাটাও প্ৰতিষ্ঠানৰ শীৰ্ষ বিষয়ববীয়া অন্যতম আছিল। প্ৰকল্পটো পৰিদৰ্শনৰ অন্তত যুটীয়া ৰাষ্ট্ৰদূত কেইচি অ'নৰে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে যে জাগীৰোডৰ টাটা ছেমিকণ্ডাক্টৰ প্ৰকল্পস্থলীত বিনিয়োগ কৰিবলৈ জাপানৰ বহু প্ৰতিষ্ঠান আগ্ৰহী। মিটছুবিছি কৰ্পোৰেশ্যন ইণ্ডিয়া প্ৰাইভেট লিমিটেড, ইৱাটানি কৰ্পোৰেশ্যন, টকিঅ' ইলেকট্ৰন লিমিটেডকে ধৰি কেইবাটাও প্ৰতিষ্ঠানৰ শীৰ্ষ বিষয়া কালিৰ পৰিদৰ্শন কালত প্ৰতিনিধি দলটোত উপস্থিত আছিল।

প্ৰতিনিধি দলটোৱে কালি ডিমৰিয়াত স্থানীয় কৃষকসকলে নেশ্যনেল বেম্বো মিছনৰ অধীনত আৰু আমপ্ৰি অৰেঞ্জ প্ৰডিউচাৰ কোম্পানীৰ উদ্যোগত ৫৮৫ হেক্টৰ ভূমিত কৰা বাঁহ খেতিও পৰিদৰ্শন কৰে। জাপানৰ ৰাষ্ট্ৰদূত, দূতাবাসৰ প্ৰতিনিধি, জাপান বেংক ফৰ ইণ্টাৰনেশ্যনেল কৰ্পোৰেশ্যন, জাপানী উদ্যোগৰ প্ৰতিনিধিৰ বৃহৎ দলটোৰ ভ্ৰমণে অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বাঁহভিত্তিক জৈৱ অৰ্থনীতিৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি আশা কৰা হৈছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ আৰু অসমক কেন্দ্ৰ কৰি ভাৰত-জাপানৰ উদ্যোগপতিসকলৰ মাজত দেখা দিয়া উৎসাহে অসমক অনাগত দিনত উদ্যোগীকৰণৰ দিশত আগুৱাই নিব বুলি কালি জাপানৰ প্ৰতিনিধিবৰ্গৰে হোৱা বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আশা ব্যক্ত কৰে। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ জৰিয়তে অসমক আন্দোলন বিবৰ্জিত শান্তিপ্ৰিয় অঞ্চল হিচাপে বিশ্বৰ আগত চিনাকি কৰাই দিবলৈ বিচৰা বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

oooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ৰাজ্যৰ জিলা আয়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিংযোগে এখন বৈঠকত মিলিত হয়। বৈঠকখনত অৰুণোদয় ৩.০, মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযান, মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানকে ধৰি ৰাজ্যৰ আৰ্থ-সামাজিক উন্নয়নত বিশেষ ভূমিকা থকা আঁচনিসমূহক লৈ আলোচনা কৰা হয়। জিলা আয়ুক্তসকলৰ পৰা ড০ শৰ্মাই আঁচনিসমূহৰ ৰূপায়ণৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে আঁচনিসমূহৰ দ্বাৰা ৰাজ্যৰ প্ৰতিটো প্ৰান্তৰ জনসাধাৰণ উপকৃত হোৱাটো সুনিশ্চিত কৰিবলৈ তেওঁলোকক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে জিলা অভিভাৱক মন্ত্ৰী তথা বিধায়কসকলৰ সৈতে আলোচনা কৰি আঁচনিসমূহ তৃণমূল পৰ্যায়ত সঠিকভাৱে ৰূপায়ণ কৰিবলৈও নিৰ্দেশ দিয়ে। একেখন বৈঠকতে ড০ শৰ্মাই অহা ২৪ ফেব্ৰুৱাৰীত গুৱাহাটীত অনুষ্ঠিত হবলগীয়া ঝুমইৰ বিনন্দিনী শীৰ্ষক অনুষ্ঠানক লৈ চলি থকা প্ৰস্তুতি সন্দৰ্ভতো আলোচনা কৰে। অনুষ্ঠানটো ৰাজ্যৰ বিভিন্ন বাগানৰ জনসাধাৰণে উপভোগ কৰিব পৰাকৈ পোনপটীয়া প্ৰচাৰৰ ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰীয়ে জিলা আয়ুক্তসকলক নিৰ্দেশ দিয়ে।

oooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে দীপৰ বিলৰ সকলো খনন আৰু নিৰ্মাণকাৰ্য বন্ধ ৰখাৰ নিৰ্দেশ দিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণৈ আৰু ন্যায়াধীশ সুমন শ্যামৰ খণ্ড বিচাৰপীঠে জলাশয়টোৰ সীমা সম্পূৰ্ণকৈ নিৰ্ধাৰণ নোহোৱালৈকে অঞ্চলটোত সকলো ধৰণৰ খনন আৰু নিৰ্মাণ কাৰ্য বন্ধ ৰখাৰ নিৰ্দেশ দিছে। ৰামচৰ চাইট হিচাপে পৰিচিত দীপৰ বিলৰ সংৰক্ষণ আৰু সুৰক্ষাৰ স্বাৰ্থত এই গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰা হৈছে। উল্লেখযোগ্য যে এগৰাকী ব্যক্তিয়ে দাখিল কৰা ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ ভিত্তিতে ন্যায়ালয়ে এই গুৰুত্বপূৰ্ণ নিৰ্দেশ দিয়ে। আবেদনখনত দীপৰ বিলৰ চাৰিসীমা নিৰ্ধাৰণ কৰাৰ লগতে জলাশয়টোৰ

সমীপত থকা ডাম্পিং গ্ৰাউণ্ডৰ বিষয়টো উত্থাপন কৰা হৈছে। যোৱা ডিচেম্বৰ মাহত উচ্চতম ন্যায়ালয়ে দেশৰ আৰ্দ্ৰভূমি সংৰক্ষণ সন্দৰ্ভত গ্ৰহণ কৰা এটা শুনানিত ৰামচৰ চাইট হিচাপে পৰিচিত দেশৰ সকলো জলাশয়ৰ সীমা নিৰ্ধাৰণ কৰাৰ নিৰ্দেশ দিছিল।

০০০০

যোৰহাট জিলাৰ ম'হবন্ধাৰ এৰালতলী পথাৰত চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আজি দ্বিতীয় দিনা বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। আজি অধিৱেশনৰ দ্বিতীয় দিনটোত পুৱা পৰিৱেশ নিকাকৰণ, প্ৰাতঃপ্ৰসংগ আৰু নাম প্ৰসংগৰে কাৰ্যসূচী আৰম্ভ কৰা হয়। দিনৰ ভাগলৈ অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথিৰূপে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অংশগ্ৰহণ কৰাৰ কথা। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু সাংসদ দিলীপ শইকীয়াই অতিথিৰূপে অধিৱেশনত অংশগ্ৰহণ কৰিব। অধিৱেশনৰ প্ৰথম দিনত কালি পৰিৱেশ নিকাকৰণ আৰু গছপুলি ৰোপনেৰে অধিৱেশনৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। যোৰহাটৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে কালি প্ৰতিনিধি শিবিৰৰ তোৰণ উন্মোচন কৰে। নামঘৰৰ তোৰণ উন্মোচন, মূল সমিতিৰ কাৰ্যনিৰ্বাহক আৰু গ্ৰন্থমেলা মুকলি কৰা হয়। দিনৰ ভাগত মূল কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। কাইলৈ পুৱা সংঘৰ নৱনিৰ্বাচিত পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাই পতাকা উত্তোলন কৰিব। এই পতাকা উত্তোলনস্থলীত কাছ আকৃতিৰ বেদী নিৰ্মাণ কৰা হৈছে। বেদীটোৰ চৌপাশত প্ৰতীকিভাৱে ৫৪ খন পতাকা উত্তোলন কৰা হ'ব। তদুপৰি ৯৪ সংখ্যক অধিৱেশনৰ সৈতে সংগতি ৰাখি ৯৪টা খোল আৰু ৯৪ যোৰ তাল লৈ গায়ন-বায়নসকলে মাংগলিক ধ্বনি কৰিব। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ভাগৰত শোভাযাত্ৰা আৰু ধৰ্মালোচনা সভাৰ লগতে সত্ৰীয়া সংস্কৃতিৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কাইলৈ হ'বলগীয়া মুকলি সভাত মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা। এই অধিৱেশনত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱসকলেও অংশ লৈছে।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক এই অধিৱেশনত প্ৰায় ১২ হাজাৰ স্বেচ্ছাসেৱকে দিনে-নিশাই অধিৱেশনৰ কামকাজ তদাৰক কৰি আছে। অধিৱেশনলৈ অহা প্ৰায় ১০ হাজাৰ ভক্তক বৈষ্ণৱে একেলগে আহাৰ গ্ৰহণ কৰিব পৰা ব্যৱস্থা কৰা হৈছে। সুদীৰ্ঘ ২৭ বছৰ পাছত যোৰহাটত অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কেন্দ্ৰীয় অধিৱেশনৰ কাৰ্যসূচীত কেইবালাখ ভক্তই অংশগ্ৰহণ কৰিব বুলি উদ্যোক্তাসকলে আশা প্ৰকাশ কৰিছে।

০০০০

পঞ্চায়ত নিৰ্বাচনৰ সকলো কাম-কাজ অহা এপ্ৰিল মাহৰ ভিতৰত সম্পূৰ্ণ হ'ব। ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰনজিত কুমাৰ দাসে কালি বিলাসীপাৰাত এই কথা প্ৰকাশ কৰিছে। ভাৰতীয় জনতা পাৰ্টীৰ জিলা সমিতিয়ে আয়োজন কৰা বিশেষ সাংগঠনিক আৰু ভোগালীৰ প্ৰীতি ভোজ অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে লগতে কয় যে আসন্ন পঞ্চায়ত নিৰ্বাচন ৰাজনীতিমুক্ত কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। বিলাসীপাৰা আৰু গোলকগঞ্জ বিধানসভা সমষ্টিত সাংগঠনিক স্থিতি মজবুত কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰখা বুলি উল্লেখ কৰি শ্ৰীদাসে কয় যে পঞ্চায়ত নিৰ্বাচনত বিজেপি সমৰ্থিত সকলো আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ প্ৰাৰ্থীক জয়ী কৰাবলৈ ৰণকৌশল প্ৰস্তুত কৰা হৈছে। ইপিনে, ধুবুৰী জিলাক চৰকাৰে বিশেষ গুৰুত্ব দিয়া বুলি উল্লেখ কৰি জিলাখনলৈ নিৰ্বাচনৰ পূৰ্বে বিভিন্ন উন্নয়নমূলক আঁচনি ৰূপায়ণৰ বাবে ৩০ কোটি টকা আবণ্টন দিয়াৰ কথাও মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে।

০০০০

আজিৰে পৰা গুৱাহাটীৰ জ্যোতি চিত্ৰবনত গুৱাহাটী এছিয়ান ফিল্ম ফেষ্টিভেল অনুষ্ঠিত হৈছে। তিনিদিনীয়া এই চলচ্চিত্ৰ মহোৎসৱত ইৰান, নেপাল, উজবেকিস্তান, কাজাখস্তান, বাংলাদেশ, হংকং, আজাৰবাইজান, ফিলিপিন্‌ছ, শ্ৰীলংকা আৰু তুৰস্কৰ কুৰিখন নিৰ্বাচিত ছবি প্ৰদৰ্শিত হ'ব। ইয়াৰ লগতে মহোৎসৱৰ প্ৰতিযোগিতামূলক শাখাত উত্তৰ-পূৰ্বাঞ্চলৰ ভালেকেইখন ছবি প্ৰদৰ্শিত হ'ব। পুৱা ফিলিপিন্‌ছৰ পৰিচালক কাৰ্ল' অবিম্প'ৰ ছবি – এ লেব ষ্টৰীৰ প্ৰদৰ্শনেৰে প্ৰতিযোগিতাৰ শুভাৰম্ভ হৈছে। জ্যোতি চিত্ৰবনৰ ৰুদ্ৰ বৰুৱা প্ৰেক্ষাগৃহৰ লগতে একে পৰিসৰতে থকা আনটো ক্ষুদ্ৰ প্ৰেক্ষাগৃহতো এই মহোৎসৱৰ ছবিসমূহ প্ৰদৰ্শিত হ'ব। ৯ ফেব্ৰুৱাৰীৰ সন্ধিয়া চাৰে ৫ বজাত ইম্‌টিয়াজ আলী, ৰীমা দাস আৰু কবিৰ খান পৰিচালিত মাই মেলবৰ্ণ ছবিৰ প্ৰদৰ্শনীৰে এই মহোৎসৱৰ সামৰণি পৰিব। মহোৎসৱৰ সৈতে সংগতি ৰাখি তিনিওদিনেই দেশৰ কেইবাগৰাকীও বিশিষ্ট চলচ্চিত্ৰ পৰিচালক আৰু সমালোচকৰ অংশগ্ৰহণেৰে মুঠ ৭ খন মনোজ্ঞ আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। ৮ ফেব্ৰুৱাৰীত নিকন কম্পেনীৰ কাৰিকৰী বিশেষজ্ঞ সৌমজিৎ মৈত্ৰই নিকন মিৰৰলেছ কেমেৰাৰ জৰিয়তে ডিজিটেল ছবি নিৰ্মাণ সম্পৰ্কত আলোকপাত কৰিব। ৯ ফেব্ৰুৱাৰীত প্ৰসিদ্ধ চলচ্চিত্ৰ পৰিচালক অ'নিৰ সৈতে অন্তৰংগ আলাপ আৰু বিয়লি শ্ৰীলংকাৰ বিশিষ্ট চলচ্চিত্ৰ নিৰ্মাতা প্ৰসন্ন বিথানাগেৰ সৈতে দৰ্শকৰ আলাপৰ অনুষ্ঠান এই মহোৎসৱৰ অন্যতম আকৰ্ষণ হ'ব। চলচ্চিত্ৰ মহোৎসৱ সন্দৰ্ভত সবিশেষ জনাব আমাৰ সহযোগী মৃদুস্মিতা শৰ্মাই-

*(ভইচ)*

০০০০

দেশৰ নতুন আয়কৰ বিধেয়কত কেন্দ্ৰীয় কেবিনেটে আজি অনুমোদন জনাব। অহা সপ্তাহৰ আৰম্ভণিতে বিধেয়কখন লোকসভাত উত্থাপন কৰাৰ সম্ভাৱনা আছে। এতিয়াও বলবৎ হৈ থকা ১৯৬১ চনৰ আয়কৰ আইনৰ অৱসান ঘটাবলৈ কেন্দ্ৰই এই

নতুন আইন প্ৰৱৰ্তনৰ সিদ্ধান্ত লৈছে। বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে শেহতীয়া বাজেট দাখিলৰ সময়তে কেবিনেটত নতুন আয়কৰ বিধেয়কৰ অনুমোদন দিয়া হ'ব বুলি ঘোষণা কৰিছিল। বিধেয়কখন স্পষ্ট আৰু পোনপটীয়া হ'ব বুলিও বিত্ত মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছিল।

আৰ্থিক বিশ্লেষকসকলে অনুমান কৰা অনুসৰি নতুন আইনে আইন বিৰোধী কাম-কাজৰ সুৰুঙা বন্ধ কৰাৰ উপৰি আয়কৰৰ ক্ষেত্ৰত থকা জটিলতা বহু পৰিমাণে দূৰ কৰিব। কেন্দ্ৰীয় কেবিনেটে আয়কৰ আইনখনত আজি অনুমোদন দিলে কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে ১০ ফেব্ৰুৱাৰীত বিধেয়কডখন সংসদত উত্থাপন কৰাৰ সম্ভাৱনা আছে।

০০০০

তিনিচুকীয়া আৰক্ষীয়ে খাৰুৱা তেল চোৰৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছে। তিনিচুকীয়াত অইল খাৰুৱা তেল চুৰিৰৰ ঘটনাৰ তদন্ত কৰি কালি তিনিচুকীয়া আৰক্ষীয়ে লাংকাছি আৰক্ষীৰ সহযোগত মাকুমৰ সমীপৰ গড়বস্তিত বাহনসহ খাৰুৱা তেলৰ ১২টা ড্ৰাম জব্দ কৰে। আৰক্ষীয়ে তেল চুৰিৰ সৈতে জড়িত থকাৰ অপৰাধত দুজন অভিযুক্তক আটক কৰি অধিক তথ্যৰ বাবে তদন্ত অব্যাহত ৰাখিছে।

০০০০

ধেমাজিত আজিৰে পৰা সোণোৱাল কছাৰী সাহিত্য সভাৰ অধিৱেশন তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। ২০১৭ চনত ডিব্ৰুগড়ত গঠন হোৱা সোণোৱাল কছাৰী সাহিত্য সভাই জনগোষ্ঠীটোৰ সমাজ, ভাষা-সংস্কৃতিকে ধৰি বিভিন্ন দিশত উত্তৰণৰ বাবে প্ৰয়াস কৰি আহিছে। অধিৱেশনৰ অংশ হিচাপে সোণোৱাল কছাৰী সকলৰ পৰম্পৰাগত গৃহ উদ্বোধন, গ্ৰন্থ উন্মোচন, প্ৰদৰ্শনী আৰু খাদ্য মেলা উদ্বোধন, সাহিত্য প্ৰতিযোগিতা, আলোচনাচক্ৰকে ধৰি কেইবাটাও কাৰ্যসূচী গ্ৰহণ কৰা হ'ব।

০০০০

জঘন্য অপৰাধীৰ দৰে হেণ্ডকাফ আৰু ভৰিত শিকলী লগাই আমেৰিকাৰ পৰা বিতাড়িত ভাৰতীয়সকলক নিজ দেশলৈ প্ৰেৰণ কৰাটোৱে দেশজুৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই বাতৰিটো **দৈনিক অসম** কাকতে **হেণ্ডকাফ শিকলীক লৈ উত্তাল ৰাজনীতি** শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিক **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

**দীপৰ বিলৰ ক্ষতি কৰি ধাৰাপুৰত এলিভেটেড কৰিড'ৰ নিৰ্মাণৰ প্ৰকল্প প্ৰত্যাহাৰ** শিৰোনামেৰে এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানিৰ বাতৰিটো **দৈনিক অগ্ৰদূত** কাকতে মুখ্য বাতৰি হিচাপে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আনুষ্ঠানিকভাৱে মুকলি কৰাৰ দুবছৰ পাছতো সম্পূৰ্ণৰূপে কাৰ্যক্ষম হৈ নুঠিল উত্তৰ গুৱাহাটীত স্থাপন কৰা এইমছ। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী নাড্ডাই ৰাজ্যসভাত দিয়া তথ্যত প্ৰকাশ পাইছে আন্তঃগাঁথনিৰ স্বৰূপ। গুৱাহাটী এইমছৰ অধিকাংশ পদেই খালী শিৰোনামেৰে **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰামছাৰ চাইট দীপৰ বিলৰ সুৰক্ষাৰ বিষয়ত উদ্বিগ্নতা প্ৰকাশ কৰি উচ্চ ন্যায়ালয়ে দিহিং পাটকাইসহ সংৰক্ষিত বনাঞ্চলসমূহত সকলো অবৈধ খনন বন্ধৰ ক্ষেত্ৰত লোৱা পদক্ষেপসমূহ অৱগত কৰিব লাগিব বুলি প্ৰকাশ কৰিছে। নিয়মীয়া বাৰ্তা আৰু দৈনিক জনমভূমি কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

অসমত বিনিয়োগ কৰিবলৈ আগ্ৰহী জাপানৰ বিনিয়োগকাৰী। এডভাণ্টেজ আছাম দ্বিতীয় সংস্কৰণৰ পূৰ্বে ভাৰতস্থিত জাপানৰ ৰাষ্ট্ৰদূত অ' এন অ' কে চিয়ে এই সন্দৰ্ভত স্পষ্ট ইংগিত প্ৰদান কৰিছে। এই বাতৰিটো দ্য ছেণ্টিনেল আৰু দি আছাম ট্ৰিবিউন আৰু অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

০০০০

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ প্ৰতিযোগিতাত কালি অসমৰ ৪ গৰাকী বক্সাৰে নিজ নিজ শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ৰাষ্ট্ৰীয় ক্ৰীড়াৰ ইতিহাসত নতুন অভিলেখ গঢ়ি পোন প্ৰথমবাৰৰ বাবে অসমৰ ৪ গৰাকী বক্সাৰে ফাইনেলত প্ৰৱেশৰ গৌৰৱময় সফলতা অৰ্জন কৰিছে। তাৰকা বস্কাৰ শিৱ থাপাই চেমি ফাইনেলত মহাৰাষ্ট্ৰৰ প্ৰতিদ্বন্দিক ৫-০ ৰ ব্যৱধানত পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰে। একেদৰে অভিনৱ শইকীয়াই দিল্লীৰ প্ৰতিদ্বন্দিক ৫-০ ৰ ব্যৱধানত পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰে। তাৰকা বক্সাৰ লাভলীনা বৰগোহাই নাগালেণ্ডৰ বক্সাৰ ৰেনুক ৫-০ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। বক্সাৰ অংকুশিতা বড়োৱে ৬৬ কিলোগ্ৰাম শাখাৰ চেমিফাইনেলত নাগালেণ্ডৰ সঞ্জুক ৫-০ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে।

দশম দিনা ছাৰ্ভিছেছৰ হৈ নীৰজ কুমাৰে পুৰুষৰ ৫০ মিটাৰ ৰাইফল পজিছনত সোণৰ পদক অৰ্জন কৰে। পুৰুষৰ ৰিকাৰ্ভ শাখাত পশ্চিমবংগৰ জুৱেল চৰ্কাৰে সোণৰ পদক লাভ কৰাৰ লগতে ছাৰ্ভিছেছে ৰূপৰ পদক আৰু ছিকেমে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। মহিলাৰ ৰিকাৰ্ভ দলীয় শাখাত মহাৰাষ্ট্ৰই সোণ, ঝাৰখণ্ডে ৰূপ আৰু হাৰিয়ানাই ব্ৰঞ্জৰ পদক লাভ কৰে।

০০০০

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

আনহাতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অৰুণাচলত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। অসম, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত ঠাই বিশেষে বতৰ শুকান হৈ থকাৰ লগতে ঠাই বিশেষে কম-বেছি পৰিমাণে কুঁৱলী পৰিব বুলি আগলি বতৰা দিছে।

০০০০

সমাপ্ত